# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-05-2024
**Time :** 1340 hrs

## *Assamese Midday Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। এন ডি এৰ নেতা আৰু আন দলৰ নেতাসকলে বিভিন্ন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে।

২। দিল্লীৰ মুখ্যমন্ত্ৰী আৰু আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰিবন্দ কেজৰিৱালে স্বাস্থ্য পৰীক্ষাৰ বাবে আৰু সাত দিনৰ অন্তৰ্বৰ্ত্তীকালীন জামিন বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

৩। ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত কলকাতাত ১৫ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হৈছে। মহানগৰখনত এতিয়াও বৰষুণ দি আছে।

৪। প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যু বাৰ্ষিকীত আজি দেশবাসীয়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

*আৰু*

৫। এছিয়ান ছিনিয়ৰ জিমনাষ্টিক চেম্পিয়নশ্বিপত মহিলাৰ শাখাত দীপা কৰ্মকাৰে স্বৰ্ণপদক জয় অৰ্জন কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। এন ডি এৰ নেতা আৰু আন মিত্ৰজোঁটে নিৰ্বাচন অনুষ্ঠিত হ'বলগা অঞ্চলসমূহত ধাৰাবাহিকভাৱে বিভিন্ন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ কুশীনগৰ, ছালেমপুৰ আৰু চাণ্ডৌলী লোকসভা সমষ্টিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। ইফালে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাআই আজি বাৰানসীত বিভিন্ন কাৰ্যসূচীত শিপিনী, মৃৎশিল্পী, ভোটাৰ তথা নাগৰিকৰ সৈতে মত-বিনিময় কৰিব। জ্যেষ্ঠ বিজেপি নেতা তথা মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে আজি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ পাটনাৰ মনেৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। জনতা দল ইউনাইটেডৰ সভাপতি আৰু মুখ্যমন্ত্ৰী নীতিশ কুমাৰে নালন্দা সংসদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।

ইফালে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি হিমাচল প্ৰদেশৰ চাম্বা আৰু শ্বাহপুৰত নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰিব। কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে পাটনা চাহিব সংসদীয় সমষ্টিৰ খুচৰুপুৰ আৰু পাতলিপুত্ৰ লোকসভা সমষ্টিৰ মনেৰত নিৰ্বাচনী প্ৰচাৰ চলাব। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে আৰ জে ডি আৰু চি পি আই এম এলৰ প্ৰাৰ্থীৰ সমৰ্থনত জেহানাবাদ, পাতলিপুত্ৰ আৰু আৰাহ্ সংসদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে লোকসভা নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদান কৰাৰ বাবে অনন্তনাগ ৰাজৌৰীৰ ভোটদাতাসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোডীয়ে কয় যে তেওঁলোকৰ উৎসাহী অংশগ্ৰহম গণতান্ত্ৰিক মনোভাৱৰ এক জীৱন্ত প্ৰমাণ। উল্লেখযোগ্য যে অনন্তনাগ ৰাজৌৰী সংসদীয় সমষ্টিত এইবাৰ ভোটদানৰ হাৰ আছিল ৫৪ দশমিক ৮-৪ শতাংশ যিটো যোৱা ৩৫ বছৰৰ ভিতৰত সৰ্বাধিক।

০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী আৰু আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰিবন্দ কেজৰিৱালে স্বাস্থ্য পৰীক্ষাৰ বাবে আৰু সাত দিনৰ অন্তৰৰ্ত্তীকালীন জামিন বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে শ্ৰীকেজৰিৱালক আবকাৰি নীতিৰ কেলেংকাৰিত ধনৰ লেন-দেন কৰাৰ অভিযোগৰ গোচৰ সন্দৰ্ভত ১ জুনলৈকে অন্তৰৰ্ত্তীকালীন জামিন মঞ্জুৰ কৰিছিল আৰু ২ জুনত তেওঁক পুনৰ সমৰ্পন কৰিবলৈ নিৰ্দেশ দিছিল। আম আদমী পাৰ্টীয়ে কৈছে যে দিল্লীৰ আবকাৰি নীতিৰ অভিযোগৰ গোচৰ সন্দৰ্ভত গ্ৰেপ্তাৰ কৰাৰ পাছৰে পৰা শ্ৰীকেজৰিৱালৰ স্বাস্থ্য অৱনমিত হৈছে। উচ্চতম ন্যায়ালয়ে মঞ্জুৰ কৰা শ্ৰীকেজৰিৱালৰ অন্তৰৰ্ত্তীকালীন জামিন ২ জুনত অন্ত পৰাৰ পাছত পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মাত বিচাৰি বিধি বলবৎকাৰী সঞ্চালকালয়ে দিল্লীৰ আদালতত ইতিমধ্যে যোৱা সপ্তাহত এখন আবেদন দাখিল কৰিছে।

০০০০০

ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত কলকাতাত ১৫ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হৈছে। মহানগৰখনত এতিয়াও বৰষুণ দি আছে। কিছুমান অঞ্চলত গছ-গছনি উভালি পৰাৰ লগতে বাৰানগৰত এটা কাৰখানাৰ চিমনী ৰাস্তাৰ ওপৰত পৰি যোৱাৰ ফলত ভালেমান যান-বাহনৰ ক্ষতিসাধন হয়। এছপ্লান্ড্ আৰু পাৰ্ক ষ্ট্ৰীট মেট্ৰো ষ্টেচনৰ মাজত পানী জমা হোৱাৰ ফলত মেট্ৰো ৰেল সেৱা ব্যাহত হৈছে। উত্তৰ চৌবিবছ্ পৰগনা জিলাৰ পথত ভালেমান গছ-গছনি উভালি পৰাৰ ফলত পথ যোগাযোগ ব্যাহত হৈছে। দক্ষিণ আৰু উত্তৰ চৌবিবছ্ পৰগনা জিলাৰ উপকূল অঞ্চলসমূহত ৰেমলৰ প্ৰভাৱ হ্ৰাস পাইছে যদিও বৰ্তমান প্ৰতি ঘণ্টাত ৫০ৰ পৰা ৬০ কিলোমিটাৰ বেগত বতাহ বলি আছে। ইতিমধ্যে শিয়ালদহৰ পৰা স্থানীয় ৰে'ল সেৱা আৰম্ভ কৰা হৈছে। ইফালে, নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা বিমান চলাচল পুনৰ আৰম্ভ হৈছে। সুন্দৰবনৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ জলমগ্ন হৈ পৰিছে। ঘূৰ্ণী বতাহৰ ফলত কলকাতা, বছিৰহাট আৰু ডায়মণ্ড হাৰবাৰ সংসদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ ব্যাহত হৈছে।

০০০০০

ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনীৰ উপ-মহাপৰিদৰ্শক মোহছেন শ্বাহিদীয়ে কৈছে যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ শেহতীয়া তথ্য অনুসৰি ঘূৰ্ণী বতাহ ৰেমলৰ তীব্ৰতা হ্ৰাস পাইছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে প্ৰতি ঘণ্টাত ১১০ৰ পৰা ১২০ কিলোমিটাৰ বেগত অহা ৰেমলৰ গতিবেগ বৰ্তমান ৬০ৰ পৰা ৭০ কিলোমিটাৰ হৈছে। শ্ৰীশ্বাহিদীয়ে কয় যে আজি সন্ধিয়াৰ ভিতৰত ইয়াৰ গতিবেগ হ্ৰাস পোৱাৰ আশা কৰা হৈছে। তেওঁ কয় যে ৰেমলৰ ফলত কলকাতাত এখন পকীবেৰ খহি যোৱাৰ ফলত এগৰাকী লোকৰ মৃত্যু হয়। তেওঁ কয় যে পশ্চিম বংগৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত অঞ্চলসমূহত বৰ্তমান সাহায্য আৰু উদ্ধাৰ অভিযান অব্যাহত আছে। ১৪টা এন ডি আৰ এফৰ গোটক

উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে আৰু ছটা এছ ডি আৰ এফ গোটে তেওঁলোকক সহযোগিতা আগবঢ়াইছে। তেওঁ লগতে কয় যে সতৰ্কতামূলক ব্যৱস্থা হিচাপে এন ডি আৰ এফৰ এটা দল ত্ৰিপুৰাতো নিয়োগ কৰা হৈছে।

০০০০০

নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পাছতে জম্মু কাশ্মীৰত নিৰ্বাচনী কৰ্তৃপক্ষই সুৰাজাতীয় সামগ্ৰীকে ধৰি এতিয়ালৈকে ৯৫ কোটি টকাৰো অধিক নগদ টকা জব্দ কৰিছে। জম্মু-কাশ্মীৰত যোৱা শনিবাৰে অনন্তনাগ ৰাজৌৰী লোকসভা সমষ্টিৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছতে নিৰ্বাচন প্ৰক্ৰিয়া অন্ত পৰে। নিৰ্বাচনী বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি কাশ্মীৰৰ তিনিটা সমষ্টিত পূৰ্বৰ দশকৰ অভিলেখ ভংগ কৰি এইবাৰ অভিলেখ হাৰত ভোটদান কৰে। নিৰ্বাচনত অৱতীৰ্ণ কিছুমান প্ৰাৰ্থীয়ে বিভিন্ন ধৰণে ভোটাৰক প্ৰলোভিত কৰাৰ চেষ্টা কৰে। নিৰ্বাচনী কৰ্তৃপক্ষই চি-ভিজিল এপৰ জৰিয়তে ১৪৩টা ওজৰ-আপত্তি লাভ কৰে। ইয়াৰে ৮০টা সমাধান কৰা হয় যদিও বাকীসমূহৰ সমাধানৰ প্ৰক্ৰিয়া অব্যাহত আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি সামাজিক মাধ্যমযোগে প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলেও আজি জৱাহৰলাল নেহৰুৰ ৬০ সংখ্যক মৃত্যু বাৰ্ষিকীত দিল্লীৰ শান্তিবনত তেওঁৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীখাৰ্গেই কয় যে জৱাহৰলাল নেহৰুৰ অতুলনীয় অৱদান অবিহনে ভাৰতৰ ইতিহাস অসম্পূৰ্ণ। তেওঁ লগতে কয় যে গণতন্ত্ৰৰ নিষ্ঠাবান ৰক্ষকগৰাকীয়ে দেশক বৈজ্ঞানিক, অৰ্থনৈতিক, ঔদ্যোগিক আদি বিভিন্ন ক্ষেত্ৰত আগুৱাই লৈ গৈছিল। তেওঁ নেহৰুক আধুনিক ভাৰতৰ স্থাপত্যবিদ বুলি অভিহিত কৰে।

০০০০০

পুণে আৰক্ষীয়ে মহানগৰখনৰ কল্যাণী নগৰত অলপতে সংঘটিত এটা পথ দুৰ্ঘটনাৰ গোচৰ সন্দৰ্ভত ছেছুন চিকিৎসালয়ৰ দুগৰাকী ডাক্তৰক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকক ফৰেণছিক বিভাগৰ মুৰব্বী ডাঃ অজয় টাৱাৰে আৰু ডাঃ শ্ৰীহৰি হাৰলোৰ বুলি জানিবলৈ দিছে। পঞ্জীয়ন নথকা এখন গাড়ীৰে এটা কিশোৰে সুৰামত্ত অৱস্থাত পথ দুৰ্ঘটনা সংঘটিত কৰাৰ ফলত দুগৰাকী যুৱ ইঞ্জিনীয়াৰ মৃত্যু হোৱাৰ ঘটনাৰ গোচৰ সন্দৰ্ভত কিশোৰটোৰ তেজৰ নমুনা সলনি কৰাৰ অভিযোগত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। কিশোৰটোৰ তেজৰ নমুনা ছেছুন চিকিৎসালয়লৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ পাছত তেজৰ প্ৰতিবেদন সালসলনি কৰাৰ অভিযোগত আৰক্ষীয়ে তেওঁলোকক গ্ৰেপ্তাৰ কৰে।

০০০০০

সমাগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে জেনেভাত থকা ৰাষ্ট্ৰসংঘৰ ভাৰতীয় স্থায়ী মিছন আৰু বিশ্ব স্বাস্থ্য সংস্থাই কালি প্লেচ ডেচ নেচনছত **ৱাক দ্য টক** শীৰ্ষক যোগ অধিবেশন অনুষ্ঠিত কৰে। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰাসহ বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰচ আদহান'ম ঘেব্ৰেয়েচাচ আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলে এই অধিবেশনত অংশগ্ৰহণ কৰে।

০০০০০

এছিয়ান ছিনিয়ৰ জিমনাষ্টিক চেম্পিয়নশ্বিপত মহিলাৰ শাখাত স্বৰ্ণ জয় কৰি দীপা কৰ্মকাৰে প্ৰথমগৰাকী ভাৰতীয় এথলিট হিচাপে কৃতিত্ব অৰ্জন কৰিছে। উজবেকিস্তানৰ ৰাজধানী চহৰত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ শেষৰ দিনা জিমনাষ্টগৰাকীয়ে ১৩ দশমিক ৫-৬ স্কোৰ অৰ্জন কৰি উত্তৰ কোৰিয়াৰ কিম ছন হায়াং আৰু জো কিয়ং বায়'লক পৰাস্ত কৰে। উল্লেখযোগ্য যে ২০১৬ৰ ৰিঅ' অলিম্পিকত চতুৰ্থস্থান অৰ্জনকাৰী দীপাই ইয়াৰ পূৰ্বে ২০১৫ত একেটা ইভেণ্টতে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

তদুপৰি তুৰ্কীৰ মাৰ্চিনত অনুষ্ঠিত ২০১৮ চনৰ এফ আই জি বিশ্বকাপত সোণৰ পদক অৰ্জন কৰি আন্তঃৰাষ্ট্ৰীয় জিমনাষ্টিক প্ৰতিযোগিতাৰ সোণৰ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হয়।

০০০০০

বেলজিয়ামৰ এণ্টৱাৰ্পত চলি থকা এফ আই এইচ হকী প্ৰ' লীগত ইউৰোপীয়ান লীগৰ চতুৰ্থখন খেলত হৰমনপ্ৰীত সিঙৰ হেট্ৰিক গ'লৰ সহায়ত ভাৰতে আৰ্জেণ্টিনাক ৫-৪ গ'লৰ ব্যৱধানত  পৰাস্ত কৰে। ভাৰতৰ হৈ খেলৰ ৭ মিনিটত অৰিজিত সিং হুণ্ডালে প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে ১৮ মিনিটত গুৰবাণ্ট সিঙে দ্বিতীয়টো গ'ল দিয়ে। আনহাতে, হৰমনপ্ৰীত সিঙে খেলৰ ২৯, ৫০ আৰু ৫২ মিনিটত তিনিটা গ'ল দিয়াত ভাৰতীয় দলটোৱে বিজয় সাব্যস্ত কৰে। ভাৰতে অহা ১ জুনত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্ত্তী খেলখনত জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত